# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-01-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::**

১।	উমৰাংছ্‌ৰ তিন কিলো কয়লাখনিত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰৰ তদন্ত আয়োগ গঠনৰ সিদ্ধান্ত।

২।	মৰিগাঁৱত অনুষ্ঠিত ৰাজ্য মন্ত্ৰীসভাৰ বৈঠকত বিটিআৰলৈ ৪০১ কোটি টকাৰ অনুদানত অনুমোদন।

৩।	কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুমোদন।

৪।	মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পৰম্পৰাগত জোনবিল মেলা আৰম্ভ। প্ৰথম দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ। ***আৰু***

৫।	অসম মহিলা ক্ৰিকেট দলৰ বিচিআইৰ ২৩ বছৰ অনুৰ্ধ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

০০০০

ৰাজ্য চৰকাৰে উমৰাংছ'ৰ তিন কিল' কয়লাখনিত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এখন ন্যায়িক তদন্ত আয়োগ গঠন কৰিব। মৰিগাঁৱত আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে কয়লাখনিত নিহত ৪ জন শ্ৰমিকৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। সন্ধেদ নোপোৱা আন ৫ জন শ্ৰমিকৰ পৰিয়ালকৈও ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত ৰেট হোল খননৰ সন্দৰ্ভত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপৰ বাবে নিৰ্দেশনা যুগুত কৰা হ'ব।

**বাইট (চি এম)**

ইপিনে ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত মৰিগাঁও জিলাৰ উন্নয়নৰ বাবে বহুকেইটা প্ৰকল্পত অনুমোদন জনোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৰিগাঁও জিলাৰ উন্নয়ন আৰু বিকাশৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ২৯২ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন জনায়। জোনবিল মেলাৰ স্থানত মঞ্চ নিৰ্মাণৰ বাবে ৫ কোটি টকা, মৰিগাঁৱৰ নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ বাবে ১৫ কোটি টকা, তিৱা সাহিত্য সভা ভৱন নিৰ্মাণৰ বাবে ১ কোটি টকা আগবঢ়াবলৈ আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। জিলাখনৰ শতবৰ্ষ গৰকা ৯ খন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকাকৈ আগবঢ়াবলৈও আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। বৈঠকত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২ হাজাৰ কোটি টকাৰ অনুমোদন জনায়। এই আঁচনিৰ অধীনত মহিলাসকলক তিনিটা পৰ্যায়ত ঋণ আৰু ৰাজ সাহায্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৭৫ হাজাৰ যুৱক-যুৱতীলৈ ৰাজ সাহায্যযুক্ত ঋণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ বৈঠকত বিটিআৰৰ উন্নয়নৰ বাবে ৪০১ কোটি টকাৰ পুঁজিৰ অনুমোদন

জনোৱা হয়। অংগনৱাড়ী কেন্দ্ৰৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে অংগনৱাড়ী কেন্দ্ৰ ব্যৱস্থাপনা সমিতি গঠনৰ নিৰ্দেশনাতো আজিৰ মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনায়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জাগীৰোডত টাটা ছেমি কণ্ডাক্টৰ এছেম্বেলিং এণ্ড টেষ্টিং প্ৰকল্পৰ নিৰ্মাণকাৰ্যৰ বুজ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেবিনেট মন্ত্ৰী, মুখ্য সচিবসহ ৰাজ্য প্ৰশাসনৰ সকলো বিভাগৰ জ্যেষ্ঠ সচিবসকলক লৈ প্ৰকল্প নিৰ্মাণ ক্ষেত্ৰ পৰিদৰ্শন কৰে। ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ মুখ্য কাৰ্যবাহী আশীষ মিশ্ৰই মুখ্যমন্ত্ৰীগৰাকীক জানিবলৈ দিয়া অনুসৰি অহা অক্টোবৰৰ ভিতৰত এই প্ৰকল্পত ছেমি কণ্ডাক্টৰ চিপছ্ উৎপাদন আৰম্ভ হ'ব।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনভোগী সকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুমোদন জনাইছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত আজি এই বিষয়ে কোনো আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্মচাৰী সংগঠনসমূহৰ অনুৰোধৰ পৰিপ্ৰেক্ষিতত অষ্টম দৰমহা আয়োগ গঠনত সন্মতি প্ৰদান কৰিছে।

উল্লেখযোগ্য যে সপ্তম দৰমহা আয়োগৰ কাৰ্যকাল অহা বছৰ উকলি যাব। সেয়েহে অহা বছৰৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অষ্টম দৰমহা আয়োগৰ গঠনৰ প্ৰয়োজন হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে এই আয়োগৰ অধ্যক্ষ আৰু দুগৰাকী সদস্যক শীঘ্ৰেই নিযুক্তি দিয়া হ'ব।

**বাইট (অশ্বিনী বৈষ্ণৱ)**

০০০০

অসম প্ৰদেশ বিজেপিৰ পৰৱৰ্তী সভাপতিৰ নাম আজি নিশাৰ ভিতৰত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ আজি মৰিগাঁৱত এই কথা প্ৰকাশ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে প্ৰদেশ বিজেপিৰ গুৱাহাটীৰ বশিষ্ঠত থকা মুখ্য কাৰ্যালয়ত সভাপতি নিৰ্বাচনৰ বাবে তৎপৰতা তুংগত উঠিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ উপস্থিতিত শীঘ্ৰেই পৰৱৰ্তী সভাপতিৰ নাম ঘোষণা কৰা হ'ব। ৰাজ্যিক বিজেপিৰ পৰৱৰ্তী সভাপতি হিচাপে সাংসদ দিলীপ শইকীয়া, প্ৰাক্তন সাংসদ ৰামেশ্বৰ তেলী, পল্লৱ লোচন দাস, তপন গগৈ আৰু জয়ন্ত দাসৰ নাম চৰ্চালৈ আহিছে।

০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জোনবিল মেলাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত তিৱা ৰাজ্যৰ বুৰঞ্জী শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ পাৰিষদসকল, গোভা দেওৰজা আৰু জিলাখনৰ আয়ুক্তসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ আগতে আজি পুৱা পতাকা উত্তোলনেৰে গোভা ৰজা দীপসিং দেওৰজাই মেলাৰ শুভাৰম্ভ কৰে। বিভিন্ন

জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত অনুষ্ঠিত এই মেলাৰ আজি প্ৰথম দিনাই চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পাহাৰৰ পৰা নামি অহা জনজাতীয় ভাই-ভনীসকলে তেওঁলোকৰ কৃষিজাত সামগ্ৰী পৰম্পৰাগত প্ৰথাৰে ভৈয়ামৰ উৎপাদিত সামগ্ৰীৰ সৈতে বিনিময় কৰে। জনজাতীয় পোছাক পৰিহিত ডেকা-গাভৰুসকলে জোনবিলৰ পাৰত গীত-নৃত্য পৰিবেশন কৰি সম্প্ৰীতিৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। জোনবিলৰ পাৰত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ ধৰা পৰ্বও সম্পন্ন হয়। তিনিদিনীয়া এই মেলাৰ পৰৱৰ্তী দুটা দিনতো পৰম্পৰাগত খেল-ধেমালি আৰু বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী তথা সুস্বাদু খাদ্য মেলা অনুষ্ঠিত হ'ব।  গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকিৰূপত কৰ সংগ্ৰহৰ পাছত শনিবাৰে বিয়লি তিনিদিনীয়া এই মেলাৰ সামৰণি পৰিব।

০০০০

কোকৰাঝাৰৰ বিটিচি বিধায়িনী ভৱনত অহা ১৭ ফেব্ৰুৱাৰীত  অসম বিধানসভাৰ অধিবেশনৰ প্ৰথম দিনটোৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি এই অধিবেশনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। পৰ্যালোচনা কালত বিটিচি বিধায়িনী সভাৰ অধ্যক্ষ কাতিৰাম বড়ো, মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু অসম বিধানসভাৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। তেওঁলোকে জিলাখনত হ'বলগীয়া বিধানসভা অধিবেশনৰ প্ৰথম দিনটোৰ কাৰ্যক্ৰমণিকাৰ বাবে বিভিন্ন দিশ পুংখানুপুংখভাৱে চোৱাচিতা কৰে। ইয়াৰ পাছতে শ্ৰীদৈমাৰীয়ে অসম বিধানসভা আৰু বিটিচিৰ জ্যেষ্ঠ বিষয়া আৰু আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে বিটিচি সচিবালয়ৰ সন্মিলন কক্ষত এখন বৈঠকত মিলিত হয়। বৈঠকত অধ্যক্ষগৰাকীয়ে এই অধিবেশন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে সকলো ব্যৱস্থা নিখুতভাৱে কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ বালিজান নতুন গাওঁৰ বানেশ্বৰ মহন্ত সমন্বয় ক্ষেত্ৰত কাইলৈৰ পৰা ৫ দিনীয়াকৈ অসম বৈদিক বৈষ্ণৱ মহাসভাৰ চতুৰ্দশ দ্বিবাৰ্ষিক ৰাজ্যিক অধিবেশনৰ আয়োজন কৰা হৈছে। কৃষিমন্ত্ৰী তথা অধিবেশন উদযাপন সমিতিৰ সভাপতি অতুল বৰাই কালি এই অধিবেশনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। তেওঁ এই কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলোকে সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনায়। এই অধিবেশনৰ অংশ হিচাপে যুৱ আৰু মহিলা সমাৰোহ, নাম সমাৰোহ, মুকলি সভা, শিশু আৰু চেমনীয়াৰ মাজত বৰগীত, সত্ৰীয়া নৃত্য, জ্যোতি সংগীত, বক্তৃতা প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব।

একেদৰে জিলাখনৰ মৰঙিৰ পুষ্পবিলাস বৈকুণ্ঠ ক্ষেত্ৰত কাইলৈৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ সদৌ অসম শিশু ভাওনা আৰু মুকলি শাখাৰ ভাওনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৪-২৫ বৰ্ষৰ বাবে কাইলৈৰ পৰা ২১ জানুৱাৰীলৈ পুনৰ অনলাইন পঞ্জীয়ন প'ৰ্টেল মুকলি কৰিব। এই সন্দৰ্ভত বিস্তৃত তথ্যৰ বাবে পৰিষদে সংশ্লিষ্ট সকলো পক্ষকে পৰিষদৰ ৱেবছাইট চাবলৈ আহ্বান জনাইছে। নিৰ্দেশনাটোত পৰিষদে স্পষ্ট কৰি দিয়ে যে পৰৱৰ্তী পৰ্যায়ত পঞ্জীয়নৰ বাবে কোনো ধৰণৰ সময় বৃদ্ধি কৰা নহয়। অফলাইনৰ জৰিয়তেও কোনো ধৰণৰ পঞ্জীয়ন পত্ৰ গ্ৰহণ কৰা নহয় বুলি পৰিষদে জানিবলৈ দিছে।

০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অহা ৭ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ  প্ৰথমবাৰৰ বাবে গুৱাহাটী এছীয় চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছে। এই মহোৎসৱত এছিয়া মহাদেশৰ অন্তৰ্গত দেশসমূহৰ পৰা বাচনি লাভ কৰা চলচ্চিত্ৰসমূহৰ প্ৰদৰ্শন, সাংস্কৃতিক বিনিময় আৰু সৃষ্টিশীল বাৰ্তালাপৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইৰাণৰ চলচ্চিত্ৰ পৰিচালক বাবা খাজেহপাছাৰ In The Arms of the tree শীৰ্ষক চলচ্চিত্ৰখনৰ প্ৰদৰ্শনেৰে মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। ইমতিয়াজ আলী, ৰীমা দাস, কবিৰ খান আৰু অ'নিৰ পৰিচালিত চলচ্চিত্ৰ মাই মেলবৰ্ণৰ প্ৰদৰ্শনেৰে মহোৎসৱৰ সামৰণি পৰিব। আজি গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত এখন সংবাদমেলত মহোৎসৱৰ সঞ্চালক মনিতা বৰগোহাইয়ে এই বিষয়ে প্ৰকাশ কৰে। এছীয় চলচ্চিত্ৰ মহোৎসৱত ইৰাণ, নেপাল, উজবেকিস্তান, কাজাখস্তান, হংকং, শ্ৰীলংকাকে ধৰি দহ খন ছবি নিৰ্মাতা দেশৰ ১৮ খন চলচ্চিত্ৰ প্ৰদৰ্শিত হ'ব। ২০০ খনৰো অধিক চলচ্চিত্ৰৰ পৰা বাচনি সমিতিয়ে  বাচনি কৰি উলিওৱা এই চলচ্চিত্ৰসমূহৰ ভিতৰত ১২ খন আন এছীয় দেশৰ আৰু ছখন বিভিন্ন ভাৰতীয় ভাষাৰ চলচ্চিত্ৰ। শ্ৰীলংকাৰ আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক প্ৰসন্ন ৱিথানাগে মহোৎসৱৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অসমৰ কেইবাগৰাকীও ৰাষ্ট্ৰীয় বঁটা বিজয়ী চলচ্চিত্ৰ নিৰ্মাতা, চলচ্চিত্ৰ সমালোচক আৰু জ্যেষ্ঠ সাংবাদিকে অনুষ্ঠানত অংশ ল'ব।

০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ প্ৰবীন বড়ো আৰু দ্বীপজ্যোতি চহৰীয়াই কংগ্ৰেছ দল ত্যাগ কৰি আজি বড়োলেণ্ড পিপলছ্ পাৰ্টী চমুকৈ বিপিএফত যোগদান কৰে। বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত চিৰাঙৰ শ্যাম থাইবাৰী বাথৌ খেৰাই ৰিজৰ্টত এই দুয়োজন নেতাই বিপিএফত যোগদান কৰে। ইপিনে, এখন সংবাদমেলত বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কয়, যে বিপিএফ দল শাসনলৈ আহিলে বিটিআৰৰ যুৱক-যুৱতীৰ কল্যানৰ বাবে ১০০ কোটি টকা ব্যয় কৰা হ'ব। এই সংবাদমেলতে শ্ৰীমহিলাৰীয়ে দলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আৰু অভিৱৰ্তন অহা ১৯ আৰু ২০ জানুৱাৰীত কোকৰাঝাৰ আৰু বেংতলত অনুষ্ঠিত হ'ব বুলিও প্ৰকাশ কৰে।

০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি শিল্পী দিৱস উদ্‌যাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। এই অনুষ্ঠানতে বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বছৰৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী  জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হব। এই অনুষ্ঠানত বিত্ত, মহিলা আৰু শিশু কল্যান মন্ত্ৰী অজন্তা নেওগ, কৃষি মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

একেদৰে, সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটা আৱক্ষ প্ৰতিমুৰ্তি উন্মোচন কৰা হয়। অনুষ্ঠানৰ  অংশ হিচাপে জিলাভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিক মুকলি কুইজ আৰু জ্যোতি সংগীত প্ৰতিযোগিতাৰ

আয়োজন কৰা হয়। নিশাৰ ভাগত নাট্যানুষ্ঠানত ৰূপকোঁৱৰৰ কালজয়ী নাট ৰূপালীম পৰিৱেশন কৰা হ'ব। কাইলৈৰ অনুষ্ঠানত কেইবাগৰাকীও শিল্পীক সম্বৰ্ধনা জনোৱাৰ উপৰি মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

যোৰহাট সাংস্কৃতিক মঞ্চৰ উদ্যোগত জিলা পুথিভঁড়ালত কাইলৈ শিল্পী দিৱসৰ কাৰ্যসূচী লোৱা হ'ব।

নলবাৰী জিলাৰ কৰিয়া বিজুলীঘাটৰ বিহগী কবি ৰঘুনাথ চৌধুৰী শিশু উদ্যানত কাইলৈ শিল্পী দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কৰিয়া সংগীত বিদ্যালয়ৰ সৌজন্যত জ্যোতি সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০

অসম মহিলা ক্ৰিকেট দলে বি চি চি আইৰ ২৩ বছৰ অনূৰ্ধৰ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তিৰুৱনন্তপুৰমত আজি অনুষ্ঠিত নকআউট পৰ্যায়ৰ খেলত অসমে বিৰ্দভক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। তিৰুৱনন্তপুৰমত পৰহিলৈ অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত অসম দলটো কেৰালাৰ মুখামুখি হ'ব।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ চণ্ডীচৰণ ভট্টাচাৰ্যৰ কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগোত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। দৰং জিলাৰ নিজ সৰাবাৰীৰ নিবাসী প্ৰবীন শিক্ষাবিদগৰাকী তেওঁৰ পুত্ৰৰ চিকাগোৰ বাসগৃহত ৯২ বছৰ বয়সত মৃত্যু হয়। ১৯৯৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ লোৱাৰ পাছত তেওঁ নাগালেণ্ড কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত অতিথি অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল।

০০০০

চিংফৌ সমাজৰ মুৰব্বী তিনিচুকীয়া জিলাৰ লিডু বিছাগাঁও নিবাসী বিছাৰজা বিছানং চিংফৌৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। বিছাৰজা বিছানং চিংফৌৰ মৃত্যু চিংফৌ জনগোষ্ঠীৰ লগতে অসমবাসীৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চিংফৌ জনগোষ্ঠীৰ বাবে বিছানং চিংফৌৱে আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। উল্লেখযোগ্য যে কালি নিশা বিছানং চিংফৌৰ ৭৬ বছৰ বয়সত বিছাগাঁৱৰ নিজা বাসগৃহত মৃত্যু হয়।

০০০০

সমাপ্ত